# বিত্তীয় সজাগতা বার্ত্তা (এফ এ এম ই)

## এফ আই ডি ডি (কেন্দ্রীয় কার্যালয়)



*অস্বীকাৰকৰন*

পঢ়ুৱৈ সকলক বিত্তীয় ভাবে সাক্ষৰ কৰাৰ বিনম্ৰ উদ্দেশ্য আগত ৰাখি এই পুস্তিকাখন পঠন আৰু শিক্ষনৰ আহিলা হিচাপে প্ৰস্তুত কৰি উলিওৱা হৈছে। কোনো বিত্তীয় উপকৰন আৰু সেৱা গ্ৰহণৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত পঢ়ুৱৈ সকলক প্ৰভাৱিত কৰা ইয়াৰ লক্ষ্য নহয়।

**সৰ্বস্বত্ত সংৰক্ষিত**

উৎসৰ প্ৰাপ্তি স্বীকাৰৰ স্বৰ্ত্ত সাপেক্ষে পুনৰ মুদ্ৰণ অনুমোদিত

**দ্বিতীয় প্ৰকাশ - নবেম্বৰ ২০১৬**

**ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ দ্বাৰা মুদ্ৰিত**

**ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক**

ভাৰতৰ কেন্দ্ৰীয় বেঙ্ক

**বিত্তীয় সমাৱেশন আৰু বিকাশ বিভাগ**

দশম মহলা, শ্বহীদ ভগত সিং মাৰ্গ

ফৰ্ট, মুম্বাই - ৪০০০০১

# সূচী পত্ৰ


| | | পৃষ্ঠা নং |
|---|---|---|
| বাৰ্ত্তা ১ | বেঙ্ক একাউণ্ট খোলাৰ সময়ত দাখিল কৰিব লগীয়া নথি পত্ৰ (কে ওৱাই চি) | ২ |
| বাৰ্ত্তা ২ | বাজেট কৰা; সঞ্চয় কৰা আৰু ভাবি চিন্তি লোৱা ঋণৰ গুৰুত্ব | ৩ |
| বাৰ্ত্তা ৩ | আপোনাৰ জমা আৰু আপোনাৰ জমা একাউণ্টৰ বিষয়ে অধিক জানক | ৪ |
| বাৰ্ত্তা ৪ | সময়মতে ঋণ পৰিশোধ কৰি ভাল ক্ৰেডিট স্ক'ৰ বজায় ৰাখক | ৫ |
| বাৰ্ত্তা ৫ | ডিমাণ্ড ড্ৰাফ্টক আৰু চেকক বিদায় দিয়ক আৰু বৈদ্যুতিন মাধ্যমেৰে টকা পইচা প্ৰেৰণ আৰু গ্ৰহণ কৰাৰ অভ্যাস আৰম্ভ কৰক। | ৬ |
| বাৰ্ত্তা ৬ | আপোনাৰ পদূলিমুখত অথবা আপোনাৰ অঞ্চলত বেংকিং | ৭ |
| বাৰ্ত্তা ৭ | বেঙ্ক আৰু বেংকিং লোকপালৰ ওচৰত কেনেকৈ অভিযোগ দাখিল কৰিব লাগে শিকক | ৮ |
| বাৰ্ত্তা ৮ | বিনা পইচাত কোনেও আপোনাক চাহ একাপো নাযাচে! ঠগ নাখাব। | ৯ |
| বাৰ্ত্তা ৯ | এ টি এম ৰ সুচল অভিজ্ঞতাৰ বাবে নিম্নলিখিত কথা কেইটা মনত ৰাখিব। | ১০ |
| বাৰ্ত্তা ১০ | আপোনাৰ কষ্টোপাৰ্জিত ধন মাত্ৰ পঞ্জীভূক্ত সংস্থাতহে বিনিয়োগ কৰক। | ১১ |
| বাৰ্ত্তা ১১ | বক্ৰ পথেৰে বিক্ৰী - আপুনি যেতিয়া বেঙ্কলৈ পইচা জমা থ'বলৈ যায় আৰু অহাৰ সময়ত এনে এখন বীমা পলিচি লৈ আহে যিখন আপুনি বুজি নাপায়। | ১২ |




# বাৰ্ত্তা ১

## বেঙ্ক একাউণ্ট খোলাৰ সময়ত দাখিল কৰিব লগীয়া নথি পত্ৰ (কে ৱাই চি)




- পৰিচয়ৰ প্ৰমাণ, ঠিকনাৰ প্ৰমাণ আৰু এখন শেহতীয়া ভাবে তোলা ফটো বেঙ্ক একাউণ্ট খোলাৰ বাবে পৰ্যাপ্ত।
- আপোনাৰ আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ পৰিচয় পত্ৰ, পাছপোৰ্ট বা এনৰেগা কাৰ্ডে বেঙ্কত এটা একাউণ্ট খোলাৰ বাবে আপোনাৰ পৰিচয়ৰ আৰু আপোনাৰ ঠিকনাৰ প্ৰমাণ হিচাপে কাম কৰিব। পান কাৰ্ড কেৱল পৰিচয় পত্ৰ হিচাপেহে ব্যৱহৃত হয়।
- আপুনি দাখিল কৰা তথ্যত থকা ঠিকনা যদি আপোনাৰ বৰ্ত্তমানৰ ঠিকনা নহয়, আপোনাৰ নতুন ঠিকনা সম্বন্ধে আপুনি কৰা ঘোষণাই যথেষ্ট।
- আনকি পৰিচয়ৰ বা ঠিকনাৰ প্ৰমাণ অবিহনেও শেহতীয়া ভাবে তোলা এখন ফটো দাখিল কৰি লগতে আপোনাৰ স্বাক্ষৰেৰে সঞ্চয় ক্ষুদ্ৰ একাউণ্ট খুলিব পাৰে। আপুনি ৫০,০০০/- টকা পৰ্য্যন্ত আপোনাৰ একাউণ্টত বেলেন্স ৰাখিব, প্ৰতিমাহে আপুনি ১০,০০০/- টকা উঠাব পাৰিব আৰু এটা বিত্তীয় বৰ্ষত ১,০০,০০০/- টকালৈকে ক্ৰেডিট কৰাব পাৰিব।










# বাৰ্ত্তা ২

## বাজেট কৰা, সঞ্চয় কৰা আৰু ভাবি চিন্তি লোৱা ঋণৰ গুৰুত্ব




- **বাজেট কৰা আৰু সঞ্চয় কৰা ঃ** এখন বাজেট হ'ল ভৱিষ্যতৰ জমা-খৰচৰ আঁচনি যিয়ে আপোনাক খৰচ কৰা আৰু সঞ্চয় কৰাৰ ক্ষেত্ৰত বাট দেখুৱাব। প্ৰতিজন গৃহস্থই তেওঁৰ আয় আৰু ব্যয়ৰ এখন বাজেট প্ৰস্তুত কৰা উচিত আৰু ইয়াক কঠোৰ ভাবে মানি চলা উচিত। প্ৰতিমাহতে এনে এখন বাজেট কৰি সেই মতে চলাটো ভাল কথা। ব্যয়তকৈ আয় বেছি হ'লে তাক কোৱা হয় ৰাহি। এই অতিৰিক্ত ধন ৰাশি সঞ্চয় কৰিব লাগে বা এনেদৰে বিনিয়োগ কৰিব লাগে যাতে ভৱিষ্যতৰ যিকোনো পূৰ্বানুমান কৰিব নোৱাৰা ঘটনা (দুৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ, চাকৰি যোৱা) বা জীৱনৰ গুৰুত্ব পূৰ্ণ ঘটনাৰ (বিবাহ, ল'ৰা-ছোৱালীৰ শিক্ষা, দেশ ভ্ৰমণ, ঘৰ বন্ধা, বাহন কিনা) মোকাবিলা কৰিব পৰা যায়। যেতিয়া আমি উপাৰ্জন কৰিব নোৱাৰো (উদাহৰণ স্বৰূপে অৱসৰৰ পিছত) তেনে অৱস্থাতো সঞ্চয়ে আমাক সহায় কৰে।

- **সঞ্চয়ৰ গুৰুত্ব ঃ** আমাৰ আয়ৰ এটা অংশ আমি খৰচ কৰাৰ আগতে সঞ্চয় কৰিব লাগে। প্ৰথম কথা, আপোনাৰ সঞ্চয় সঠিক প্ৰতিষ্ঠান আৰু সঠিক ইনষ্ট্ৰুমেণ্টত হোৱা উচিত। উদাহৰণ স্বৰূপে, আপুনি যদি আপোনাৰ কষ্টোপাৰ্জিত ধন এনে প্ৰতিষ্ঠান বা ইনষ্ট্ৰুমেণ্টত থয়, যিবোৰৰ ৰিস্ক বহুত বেছি, যি বোৰ সঠিক ভাৱে নিয়ন্ত্ৰিত নহয়, আপুনি সকলো ধন হেৰুৱাব পাৰে। গতিকে আপুনি আপোনাৰ ধন নিৰাপদ প্ৰতিষ্ঠান আৰু ইনষ্ট্ৰুমেণ্টত জমা ৰখাটো অতি গুৰুত্বপূৰ্ণ। দ্বিতীয়তে, সঞ্চয় ভৱিষ্যতৰ পৰিকল্পিত আৰু অপৰিকল্পিত শিতানত খৰচ কৰাৰ বাবে কৰা হয়। গতিকে আপুনি আপোনাৰ পইচা এনে প্ৰতিষ্ঠান বা ইনষ্ট্ৰুমেণ্টত সঞ্চয় কৰা উচিত য'ৰ পৰা আপুনি আপোনাৰ প্ৰয়োজন অনুসাৰে উঠাব পাৰে। তৃতীয়তে, আপুনি সঞ্চয় কৰা নতুবা বিনিয়োগ কৰা ধনৰ বিনিময়ত লাভ অৰ্জন কৰাৰ প্ৰয়োজন, যাতে মুদ্ৰাস্ফীতিৰ সৈতে আপুনি মোকাবিলা কৰিব পাৰে।




- **ঋণ ঃ** মানুহে তেনে সম্পত্তিত বিনিয়োগ কৰাৰ বাবেহে ঋণ লোৱা উচিত যাৰ দ্বাৰা সম্পদ বৃদ্ধি হয়; দৈনন্দিন ব্যৱহাৰৰ বাবে ঋণ ল'ব নালাগে। উৎকৃষ্ট ঋণৰ উদাহৰণ হ'ল ঘৰ কিনাৰ বাবে বন্ধকী ঋণ বা ল'ৰা ছোৱালীৰ উচ্চ শিক্ষাৰ জোৰা মাৰিবৰ বাবে লোৱা ঋণ, ইত্যাদি।

- **বেঙ্ক বনাম টকা ধাৰে দিওঁতা ঃ** যিকোনো এটা বেঙ্ক যিহেতু ৰিজাৰ্ভ বেঙ্কৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, ই সদায় যিকোনো ব্যক্তিগত ঋণ দিওঁতাতকৈ ভাল। বেঙ্ক সমূহ স্বচ্ছ আৰু ব্যক্তিগত ধন ধাৰে দিওঁতাৰ দৰে উচ্চ হাৰত সুদ নলয়। এই ক্ষেত্ৰত ঋণ লওঁতাৰ অভিযোগ নিৰাময়ৰ বাবে এক পদ্ধতিগত ব্যৱস্থা আছে।



# বাৰ্ত্তা ৩

## আপোনাৰ জমা আৰু জমা একাউণ্ট সম্পৰ্কে অধিক জানক



- আপুনি আপোনাৰ জমা অকল চেভিংছ একাউণ্টত নাৰাখিব। তাৰ পৰা আপুনি বৰ বেছি একো লাভ নাপায়। আপুনি পইচা যেতিয়া একেলগে পায়, ফিক্সড্ ডিপ'জিতত বিনিয়োগ কৰক আৰু নিয়মীয়াকৈ সঞ্চয় কৰিব বিচাৰিলে ৰেকাৰিং ডিপ'জিত খুলিব পাৰে যাৰ পৰা অধিক সুদ পাব।
- আপোনাৰ বেঙ্ক একাউণ্ট আৰু নিৰাপদে ৰখা সামগ্ৰীৰ বাবে আপুনি বিশ্বাস কৰিব পৰা কোনো লোকক মনোনীত কৰক। বেঙ্ক একাউণ্ট খোলাৰ সময়তে নমিনী ফৰ্ম পূৰণ কৰক। নমিনী থাকিলে বাছি থকা পৰিয়ালৰ সদস্যৰ বাবে দাবী নিষ্পত্তিত সহায়ক হয় আৰু পৰিয়ালৰ সদস্যৰ কষ্ট লাঘৱ হয়। এইদাৰ অৰ চাৰ্ভাইভাৰ, ফৰ্মাৰ অৰ চাৰ্ভাইভাৰ, জইণ্ট একাউণ্ট আদি কাৰ্যকৰী নিৰ্দেশনা সমূহ বেঙ্কৰ বাবে অতি গুৰুত্ব পূৰ্ণ নথি। এইবোৰ সাৱধানে দাখিল কৰক।
- প্ৰয়োজন সাপেক্ষে যদি আপোনাৰ ফিক্সড ডিপ'জিত /দীৰ্ঘম্যাদী ডিপ'জিতৰ ধন আগতীয়াকৈ উলিয়াব বিচাৰে, আপুনি সুনিশ্চিত কৰক যে তেনে একাউণ্ট খোলাৰ সময়তে সেই সুবিধাৰ বাবে আবেদন কৰিছিল।





- অৱসৰী বিষয়া কৰ্মচাৰীয়ে তেওঁলোকৰ বৰ্ত্তমানৰ চেভিংছ একাউণ্ট পেন্সনৰ ধন উলিওৱাৰ বাবে ব্যৱহাৰ কৰিব পাৰে। আমি পৰামৰ্শ দিওঁ যে আপুনি আপোনাৰ স্বামী /পত্নীৰ সৈতে জইণ্ট একাউণ্ট খুলি মনোনয়ণ পঞ্জীকৃত কৰক অথবা- আপোনাৰ একাউণ্টত "এইদাৰ অৰ চাৰভাইভাৰ" বা "ফৰ্মাৰ অৰ চাৰ্ভাইভাৰ" ধৰণৰ নিৰ্দেশনা দি ৰাখক। আপুনি ইচ্ছা কৰিলে আপোনাৰ পেন্সন একাউণ্ট অইন এটা শাখালৈ বা অইন এটা বেঙ্কলৈ বদলি কৰিব পাৰে।
- প্ৰত্যেক বছৰৰ নৱেম্বৰ মাহত আপোনাৰ বেঙ্কৰ শাখাত আপোনাৰ 'লাইফ চাৰ্টিফিকেট' দাখিল কৰিবলৈ নাপাহৰিব। লাইফ চাৰ্টিফিকেট' দাখিল কৰাৰ পৰিবৰ্ত্তে আজিকালি আপুনি 'জীৱন প্ৰমাণ' নামৰ এখন ডিজিটেল চাৰ্টিফিকেট দাখিল কৰিব পাৰে। ইয়াত 'বায়োমেট্ৰিক অথেণ্টিকেচন'ৰ আধাৰত আপোনাৰ আধাৰ নম্বৰ ব্যৱহাৰ কৰা হ'ব। এই প্ৰমাণ পত্ৰ আপুনি www.jeevanpramaan.gov.in ৱেব চাইটৰ জৰিয়তে আপোনাৰ মোবাইল ফোনৰ দ্বাৰা দাখিল কৰিব পাৰিব।



# বাৰ্ত্তা ৪

## সময়মতে ঋণ পৰিশোধ কৰি ভাল ক্ৰেডিট স্ক’ৰ বজায় ৰাখক




- ভাবি চিন্তি ঋণ লওঁক আৰু আপুনি সেই ঋণ পৰিশোধ কৰিব পাৰিব নে নোৱাৰে সেই বিষয়ে নিশ্চিত হওঁক।
- নিশ্চিত কৰক যাতে পৰিশোধ কৰিবলগীয়া কোনো কিস্তি আপুনি আদায় নিদিয়াকৈ নাথাকে।
- বেঙ্কে আপোনাক অইন এটা ঋণ দিয়াৰ পূৰ্বে আপোনাৰ ‘ক্ৰেডিট স্ক’ৰ আৰু ‘ক্ৰেডিট-হিষ্ট্ৰি’ অধ্যয়ন কৰিব।
- ঋণৰ কিস্তি পলমকৈ দি ঋণৰ মীমাংসা কৰিলে আপোনাৰ ‘ক্ৰেডিট হিষ্ট্ৰি বা ক্ৰেডিট স্ক’ৰত’ বিৰূপ প্ৰভাৱ পৰে। কিবা কাৰণত পলম হ’লে বেঙ্কক জনাওক।
- যিমান পাৰে সোনকালে বেঙ্কৰ ঋণ পৰিশোধ কৰক কাৰণ ইয়ে আপোনাৰ ভাল ‘ক্ৰেডিট হিষ্ট্ৰি’ সৃষ্টি কৰাত সহায় কৰিব যিয়ে ভৱিষ্যতে আপোনাৰ নিজৰ বাবে বা আপোনাৰ ব্যৱসায়ৰ বাবে অধিক ঋণ লোৱাত সহায় কৰিব।
- আপোনাৰ ‘ক্ৰেডিট হিষ্ট্ৰি’ আৰু অইন কিছুমান প্ৰাসঙ্গিক কাৰকৰ ওপৰত ভিত্তি কৰি আপুনি এটা ‘ক্ৰেডিট স্ক’ৰ’ পাব। ক্ৰেডিট স্ক’ৰ যিমানেই বেছি হ’ব সিমানেই আপুনি এজন বিশ্বাস যোগ্য আৰু দায়িত্বশীল ঋণ লওঁতা হিচাপে বিবেচিত হ’ব।







# বাৰ্ত্তা ৫

## ডিমাণ্ড ড্ৰাফ্‌ট আৰু চেকক বিদায় দিয়ক আৰু বৈদ্যুতিন ভাবে টকা পইচা প্ৰেৰণ আৰু গ্ৰহণ কৰাৰ অভ্যাস আৰম্ভ কৰক

➢ **এন ই এফ টি**

দেশৰ যিকোনো ঠাইত থকা লোকলৈ কেইঘণ্টামানৰ ভিতৰতে টকা হস্তান্তৰ কৰক।


এন ই এফ টি ৰ সুবিধা কাম চলা দিনত ৰাতিপুৱা ৮ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ চলে আৰু বেঙ্কৰ কাম কাজ চলা শনিবাৰ কেইটাতো এই সুবিধা উপলব্ধ হয়।



➢ **আৰ টি জি এছ**

আপুনি যদি তুৰন্তে টকা হস্তান্তৰ কৰিব বিচাৰে আৰু পৰিমাণটো যদি ₹ ২ লাখ বা বেছি হয় আপুনি আৰ টি জি এছ (ৰিয়েল টাইম গ্ৰছ চেটেলমেণ্ট) পদ্ধতিৰ সহায় ল'ব পাৰে।

এই সেৱা গ্ৰাহকৰ বাবে কাৰ্যালয় খোলা দিনত ৰাতিপুৱা ৮ বজাৰ পৰা আবেলি ৪-৩০ বজালৈ খোলা থাকে আৰু বেঙ্কত কাম চলা শনিবাৰতো উপলব্ধ হয়।



➢ **আই এম পি এছ**

লগে লগে টকা পইচা প্ৰেৰণৰ ববে আই এম পি এছ (ইমিডিয়েট পেমেণ্ট চাৰ্ভিচ) ৰ সুবিধা গ্ৰহণ কৰক। আনকি বেঙ্কৰ বন্ধৰ দিন আৰু ৰবিবাৰেও ২৪×৭ এই সেৱা উপলব্ধ হয়।

এন ই এফ টি, আৰ টি জি এছ আৰু আই এম পি এছ সেৱা আপোনাৰ বেংকৰ শাখাত উপলব্ধ হোৱাৰ উপৰিও, আপোনাৰ বেংকে আগবঢ়োৱা অনলাইন ব্যৱস্থাৰ মাধ্যম, যেনে ইন্টাৰনেট বেংকিং ম'বাইল বেংকিং আদিৰ জৰিয়তেও এই সুবিধা উপলব্ধ হ'ব।

➢ **ইউ পি আই (ইউনিফাইদ পেমেণ্ট ইন্টাৰফেচ)**

ইউ পি আই হ'ল এটা ভাৰ্চুৱেল পেমেণ্ট এড্ৰেছ (ভি পি এ) ব্যৱহাৰ কৰি দ্ৰুত ভাৱে আৰু অতি সহজতে টকা পঠাব পৰা বা টকা গ্ৰহণ কৰিব পৰা এটা উপায়। ইয়াত বেঙ্ক একাউণ্ট নম্বৰ, আই এফ এছ চি, এটিএম / ডেবিট কাৰ্ড নম্বৰ আদি নিদিলেও চলে। আপুনি ২৪×৭ টকা প্ৰেৰণ কৰিব পাৰে, আনকি বন্ধৰ দিনত আৰু ৰবিবাৰেও।

যি ব্যৱসায়ীয়ে ইউ পি আইক আদায়ৰ উপায় হিচাপে গ্ৰহণ কৰে তেওঁকো আপুনি টকা আদায় দিব পাৰে।


এই সেৱা ব্যৱহাৰ কৰাৰ বাবে আপুনি আপোনাৰ স্মাৰ্ট ফোনত ইয়াক ডাউন লোড কৰি ল'ব লাগিব।



# বাৰ্ত্তা ৬

## আপোনাৰ পদূলি মুখত অথবা আপোনাৰ অঞ্চলত বেংকিং

- বেঙ্কৰ সেৱাৰ প্ৰয়োজনৰ বাবে আপুনি কোনো বেঙ্কৰ শাখালৈ যোৱাৰ প্ৰয়োজন নাই। ব্যৱসায় প্ৰতিনিধি (B C) হ'ল আপোনাৰ বেঙ্কৰ দ্বাৰা নিয়োগ কৰা এজেণ্ট। আপুনি আপোনাৰ অঞ্চলত উপলব্ধ B C ৰ বিষয়ে খবৰ কৰিব পাৰে। আপুনি আপোনাৰ অঞ্চলত কাম কৰি থকা B C ৰ বিষয়ে জানিবৰ বাবে http ://pmjdy.gov.in/g-i-s. aspx লিংকটো PMJDY ৰ ৱেব ছাইটত চাব পাৰে।
- বেংকে ব্যক্তি, স্বেচ্ছাসেৱী সংগঠন সমন্বিতে সংস্থা, আত্ম সহায়ক গোট, চিভিল চ'চইটি সংস্থা, ডাক ঘৰ, প্ৰাইমাৰী এগ্ৰিকালচাৰেল ক্ৰেডিট চ'চাইটি, মাইক্ৰ' ফাইনেন্স ইনষ্টিটিউচন, সঞ্চয় গ্ৰহণ নকৰা অনা বেকিং কোম্পানীকে ধৰি কোম্পানী সমূহ, পেমেণ্ট বেঙ্ক আদিক বিজনেছ কৰেছপণ্ডেন্স হিচাপে (B C) নিযুক্তি দিব পাৰে।
- B C য়ে আপোনাৰ সৈতে আপোনাৰ বেঙ্কৰ সম্পৰ্ক স্থাপন কৰে। তেওঁলোকে ইয়াৰ বাবে লেপটপ, হাততে ল'ব পৰা সৰু যন্ত্ৰ বা মোবাইল ফোন ব্যৱহাৰ কৰি এই কাৰ্য সম্পাদন কৰে।
- কিবা সন্দেহ থাকিলে আপোনাৰ বেঙ্কৰ B C ৰ নাম আৰু তেওঁৰ বিতং বিৱৰণ সম্পৰ্কে সুনিশ্চিত হৈ লওঁক।
- B C ৰ জৰিয়তে আপুনি বেঙ্ক একাউণ্ট খুলিব পাৰে, টকা জমা দিব বা উঠাব পাৰে, ঋণৰ বাবে আৱেদন কৰিব পাৰে, মাইক্ৰ' ইঞ্চুৰেন্সৰ সুবিধা গ্ৰহণ কৰিব পাৰে, আপোনাৰ একাউণ্টলৈ বা আপোনাৰ একাউণ্টৰ পৰা আনৰ একাউণ্টলৈ টকা হস্তান্তৰ কৰিব পাৰে।
- আপুনি যদি আপোনাৰ B C য়ে আগ বঢ়োৱা সেৱাত সন্তুষ্ট নহয় আপুনি তেওঁৰ বিষয়ে আপোনাৰ বেঙ্কত অভিযোগ দাখিল কৰিব পাৰে।






# বাৰ্ত্তা ৭

## বেঙ্কত আৰু বেংকিং লোকপালৰ ওচৰত কেনেকৈ অভিযোগ দাখিল কৰিব লাগে শিকক




- বেঙ্কৰ শাখালৈ গৈ অভিযোগ বহীত আপোনাৰ অভিযোগটো দাখিল কৰক। অভিযোগ বহী ওচৰে পাজৰে নাথাকিলে কাৰোবাক সুধি ইয়াক প্ৰাপ্ত কৰক বা অনলাইন যোগে ইয়াক পূৰণ কৰক।
- অভিযোগ নিষ্পত্তিৰ বাবে কোন বিষয়াৰ সৈতে সম্পৰ্ক কৰিব লাগিব সেই বিষয়ে সোধক, যদিহে তেওঁলোকৰ নাম শাখাটোত প্ৰদৰ্শন কৰা নাই। অভিযোগ নিষ্পত্তি কৰাৰ বাবে প্ৰতিটো বেঙ্কৰে এজন নোডেল অফিচাৰ থাকে।




- এক নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত আপোনাৰ অভিযোগ নিষ্পত্তি কৰিব লাগিব, আৰু যদিহে নোৱাৰে বেংকে আপোনাক তাৰ কাৰণ দৰ্শাব লাগিব।
- এমাহৰ ভিতৰত যদি বেংকে আপোনাৰ অভিযোগ নিষ্পত্তি নকৰে তেন্তে আৰ বি আইৰ বেংকিং লোক পালৰ ওচৰ চাপক। আৰ বি আইৰ বেকিং লোকপাল আঁচনিয়ে আপোনাৰ অভিযোগ বিনাখৰচত আৰু ত্বৰান্বিত ভাবে নিষ্পত্তি কৰিব।




- ৰিজাৰ্ভ বেঙ্কে ভাৰতৰ ১৫ টা স্থানত বেংকিং লোকপাল বিষয়াক নিযুক্ত কৰিছে। বেংকিং লোকপালে ভাৰতৰ বেংকিং সেৱাৰ ত্ৰূটি সম্বন্ধে থকা অভিযোগৰ প্ৰতি মনোযোগ দিয়ে।
- এখন সাধাৰণ কাগজত আপোনাৰ অভিযোগটো লিখক, নাইবা অনলাইন যোগে আপোনাৰ অভিযোগটো দাখিল কৰক নাইবা এটা ইমেইল পঠাওঁক। আপুনি আপোনাৰ অভিযোগ https://bankingombudsman.rbi.org.in ত দখিল কৰিব পাৰে।


भारतीय रिज़र्व बैंक
Reserve Bank of India
India's Central Bank
Banking Ombudsman Complaint Tracking Software
Welcome
Online Complaint Form
Complaint Form
Annexure 'A'
FORM OF COMPLAINT (TO BE LODGED) WITH THE BANKING OMBUDSMAN
(FOR OFFICE USE ONLY)
Complaint No
Date
Upload Files
* is a mandatory field
To
The Banking Ombudsman
Reserve Bank of India
Select BO office
(Fields marked with an asterisk (*) are mandatory)




# বাৰ্ত্তা ৮

## বিনা পইচাত কোনেও আপোনাক চাহ একাপো নাযাচে! ঠগ নাখাব।

➢ আৰ বি আই / আৰ বি আইৰ গৱৰ্ণৰ নাইবা আপোনাৰ বেঙ্ককে ধৰি যিকোনো বেঙ্কৰ নামত আপোনাক ধন দিব বুলি কৰা ই-মেইল, এচ এম এছ বা ফোন কলত ঠগ নাখাব।

➢ দেশৰ ভিতৰতেই হওঁক বা বাহিৰতেই হওঁক আৰ বি আই, যি কোনো বেঙ্ক বা চৰকাৰী সংস্থাৰ নামত আপোনালৈ লটাৰীত ধন জিকা, নাইবা বিনা আয়াসত ধন পোৱাৰ ভুৱা ই-মেইলৰ চিকাৰ নহ'ব।

➢ আপোনাৰ পৰিচিত বা অপৰিচিত সংস্থালৈ বৃহৎ পৰিমানৰ ধন পোৱাৰ লালসাত কালৈকো প্ৰাৰম্ভিক জমা, কমিচন নাইবা ট্ৰেন্সফাৰ ফি হিচাপে কোনো টকা নপঠাব। আপেনাক ঠগিব পাৰে।




➢ আৰ বি আইত চেভিংছ একাউণ্ট / কাৰেণ্ট একাউণ্ট খোলা নহয় নাইবা ফিক্সড্ ডিপ'জিত লোৱা নহয়। নাইবা আৰ বি আই এ কোনো ধৰণৰ ডেবিট বা ক্ৰেডিট কাৰ্ড জাৰি নকৰে নাইবা কোনো ব্যক্তি বিশেষৰ সৈতে লেন-দেন নকৰে।

➢ ই মেইল যোগে /এছ এম এছ যোগে বা টেলিফোনৰ কল যোগে আৰ বি আই বা কোনো বেঙ্কেই আপোনাৰ বেঙ্ক একাউণ্ট /ক্ৰেডিট - ডেবিট কাৰ্ড আদিৰ বিতং বিৱৰণ কেতিয়াও নিবিচাৰে। এই বিৱৰণ কেতিয়াও কাকো নিদিব।

➢ আপুনি কাকো আপোনাৰ বেঙ্ক একাউণ্টৰ কথা, ইণ্টাৰনেট বেংকিং ইউজাৰ আই ডি, পাছৱৰ্ড, ক্ৰেডিট / ডেবিট কাৰ্ডৰ নম্বৰ, চি ভি ভি, এ টি এম পিন নাইবা ও টি পি ৰ কথা নক'ব।

➢ দেশৰ ভিতৰৰ পৰা হওঁক বা দেশৰ বাহিৰৰ পৰা হওঁক আপুনি লটাৰী জিকাৰ, বা অনায়াসে ধন ঘটাৰ খবৰ পালে স্থানীয় পুলিচৰ ওচৰত বা চাইবাৰ ক্ৰাইম কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দাখিল কৰক।




# বাৰ্ত্তা ৯

## এ টি এমৰ সুচল অভিজ্ঞতাৰ বাবে নিম্নলিখিত কথা কেইটা মনত ৰাখিব।




- আপুনি আপোনাৰ এ টি এম ত টকা উঠাব পাৰে, ধন হস্তান্তৰ কৰিব পাৰে, আপোনাৰ একাউণ্টৰ বেলেন্স পৰীক্ষা কৰিব পাৰে, মোবাইল বেকিংৰ বাবে ৰেজিষ্টাৰ কৰিব পাৰে, বিল আদায় দিব পাৰে, আপোনাৰ বেঙ্ক একাউণ্টৰ সৈতে আধাৰ কাৰ্ডৰ নম্বৰৰ সম্পৰ্ক স্থাপন কৰিব পাৰে ইত্যাদি।
- আপোনাৰ এ টি এম কাৰ্ডৰ বিৱৰণ বা পিন নম্বৰ কাকো নক'ব। এ টি এমত কেতিয়াও কাৰ্ডখন এৰি নাহিব।
- আপুনি পিন নম্বৰ বহুওৱাৰ সময়ত বা কাৰ্ড ভৰাই দিয়াৰ সময়ত যাতে এটি এমৰ সৈতে কেমেৰা বা অইন কোনো পদ্ধতি লগোৱা নাথাকে সেই বিষয়ে সুনিশ্চিত হওঁক। যিমান দূৰ সম্ভৱ পিন নম্বৰ বহুওৱাৰ সময়ত এখন হাতেৰে কী-পেড্ ঢাকি ৰাখক আৰু আনখন হাতেৰে পিন নম্বৰ বহুৱাওক। আপুনি এ টি এমত পিন নম্বৰ বহুওৱাৰ সময়ত কোনোৱে যে দেখা নাই সেই বিষয়ে নিশ্চিত হওঁক।
- আপুনি পোৱা নোট খিনি পৰীক্ষা কৰি গণি ল'বলৈ নাপাহৰিব।
- এ টি এম ৰ লেন দেনৰ বিৱৰণ যাতে লগে লগে পাব পাৰে তাৰ বাবে কাৰ্ড দিয়া বেঙ্কক আপোনাৰ মোবাইল নম্বৰ দিয়ক।





- আপোনাৰ কাৰ্ডখন যদি হেৰায়, চুৰি হয় বা কাৰ্ডত কিবা গন্দগোল হোৱা বুলি অনুভৱ কৰে লগে লগে আপোনাৰ বেঙ্কৰ সৈতে সম্পৰ্ক কৰক আৰু কাৰ্ডখন ব্লক কৰাওক।
- এ টি এম সম্পৰ্কীয় আপোনাৰ যদি কিবা অভিযোগ থাকে তেন্তে আপোনাক কাৰ্ড দিয়া বেঙ্কলৈ লিখক। বেঙ্কে আপোনাৰ পৰা অভিযোগ পোৱাৰ পিছত কাৰ্যালয় খোলা থকা ৭ দিনৰ ভিতৰত আপোনাৰ অভিযোগৰ মীমাংসা কৰিব। অন্যথা প্ৰতিদিনে ১০০ টকাকৈ আপোনাক ক্ষতিপূৰণ দিয়াৰ বাবে বাধ্য থাকিব। (যদিহে লেন দেনৰ ৩০ দিনৰ ভিতৰত অভিযোগ দাখিল কৰা হয়।)
- নিয়মিত ভাবে আপোনাৰ এ টি এম ৰ পিন সলনি কৰক।
- আপোনাৰ কাৰ্ড ব্যৱহাৰ কৰাৰ পূৰ্বে এ টি এম থকা কোঠাত বা এটি এম মেচিনত কিবা সন্দেহজনক বস্তু বা সন্দেহজনক কাৰ্য্য হৈ আছে নেকি লক্ষ্য কৰক।



# বাৰ্ত্তা ১০

## আপোনাৰ কষ্টোপাৰ্জিত ধন মাত্ৰ পঞ্জীভূক্ত সংস্থাত হে বিনিয়োগ কৰক।

- আপোনাৰ কষ্টোপাৰ্জিত ধন আৰ বি আই, ছেবি, আই আৰ ডি এ, পি এফ আৰ ডি এ বা ৰাজ্যিক চৰকাৰৰ সৈতে পঞ্জীভূক্ত সংস্থাতহে বিনিয়োগ কৰি বা ধন জমা কৰি আপোনাৰ ধনক ৰক্ষণা-বেক্ষণ দিয়ক। এনেকুৱা পঞ্জীভূক্ত সংস্থাৰ তালিকাৰ বিষয়ে জানিবৰ বাবে www.sachet.rbi.org.in ৱেব ছাইট চাব পাৰে।
- কম সময়ত অধিক ধন প্ৰদান কৰা আঁচনি বা এনে ধন প্ৰদানৰ নিশ্চয়তা দিয়া আঁচনিৰ প্ৰতি লালায়িত নহ'ব। এনে আঁচনি ভুৱা হ'ব পাৰে আৰু প্ৰস্তুত কৰ্ত্তাই আপোনাৰ টকা লৈ উধাও হ'ব পাৰে।
- বানিজ্যিক বেংক সমূহতকৈ কম সুদত ঋণৰ প্ৰতিশ্ৰুতি দিয়া সংস্থা আপোনাৰ পৰা 'প্ৰচেচিং ফি' সংগ্ৰহ কৰাৰ পিছতেই অদৃশ্য হ'ব পাৰে।
- কোনো সংস্থাই যদি আপোনাৰ ধন ঘূৰাই দিয়া বা এনে আঁচনিৰ ধন ঘূৰাই দিয়াত গাফিলতি কৰাৰ কিবা তথ্য বা অভিযোগ আছে তেন্তে www. sachet.rbi.org.in ৱেব ছাইটত যোগাযোগ কৰক।








# বাৰ্ত্তা ১১

## বক্র পথেৰে বিক্ৰী — আপুনি যেতিয়া বেঙ্কলৈ টকা পইচা জমা থ'বলৈ যায় আৰু অহাৰ সময়ত এনে এখন বীমা পলিচি লৈ আহে যিখন আপুনি বুজি নাপায়।

- এনেকুৱা কেতিয়াবা ঘটিছেনে যে আপুনি বেঙ্কলৈ ফিক্সড্ ডিপ'জিত কৰিবলৈ গৈছে আৰু তাৰ বিনিময়ত আপোনাক এখন বীমা পলিচি দিছে?
- আপোনাৰ যদি প্ৰয়োজন তেতিয়াহে বীমা পলিচি গ্ৰহণ কৰক। মনত ৰাখিব, আপুনি ইচ্ছা নকৰিলে কোনো বেঙ্কেই আপোনাক এনে পলিচি ল'বলৈ বাধ্য কৰাব নোৱাৰে।
- যিকোনো ফৰ্মত চহী কৰাৰ পূৰ্বে সেইখন ভালদৰে পঢ়ি লওঁক।
- আপোনাৰ বেঙ্কে যদি আপোনাক এনে এটা প্ৰডাক্ট বেচিব খোজে যিটো আপোনাৰ কিনাৰ মন নাই বা, যেতিয়ালৈ আপুনি পতিয়ন নাযায় যে ই আপোনাৰ কামত আহিব, ইয়াক নিকিনিব।
- আপুনি যদি অনুভৱ কৰে যে কোনো বেঙ্কে ভুলকৈ আপোনাক কোনো বিত্তীয় প্ৰডাক্ট বিক্ৰী কৰিছে অভিযোগ দাখিল কৰিবলৈ দ্বিধাবোধ নকৰিব।







भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA